# অসম আদিত্য

৩ ফাগুন, ১৯৪৫ শক ■ শুক্ৰবাৰ, ১৬ ফেব্ৰুৱাৰী, ২০২৪ ■ Asom Aditya, Dibrugarh, Friday, February 16, 2024 ■ Price Rs. 7 ■ ডিব্ৰুগড় আৰু গুৱাহাটি


## আই এছ ডিৰ তদন্তকাৰী দল

### শোক অইলৰ

া ভাল্ব স্থানচ্যুত হৈ প্ৰচণ্ড গতিত
ৰাং নামৰ ঠিকাভিত্তিক অইলৰ
এগৰাকী মহিলাসহ চাৰিগৰাকী
আন এক সূত্ৰৰ পৰা প্ৰাপ্ত তথ্য
াকুৰা কনষ্ট্ৰাকশ্যন নামৰ এটা
ৰৰ তেলখাদৰ ৰেল প্লিন্থৰ কাম

কৰিছিল। এইক্ষেত্ৰত দুৰ্ঘটনা সংঘটিত হোৱাৰ কাৰণ ২ ইঞ্চি ভাল্ব স্থাপনৰ ক্ষেত্ৰত বিসংগতি নে অন্য কাৰণ সেয়া অৱশ্যে তদন্তৰ পিছতহে পোহৰলৈ আহিব। ইফালে ১৬২ নম্বৰ তেলখাদটোৰ ভাল্ব আৰু ব্লিড লাইনটো অনাকাংক্ষিকভাৱে স্থানচ্যুত হোৱাৰ ফলত কাম কৰি থকা এজন ঠিকাদাৰৰ কৰ্মচাৰীৰ দুৰ্ভাগ্যজনক মৃত্যুত অইল ইণ্ডিয়াই গভীৰ শোক প্ৰকাশ কৰিছে। এক প্ৰেছ বিবৃতিযোগে অইল কৰ্তৃপক্ষই কয় যে এই ঘটনাৰ পুংখানুপুংখ তদন্তৰ বাবে আভ্যন্তৰীণ তদন্ত চলি আছে আৰু ভৱিষ্যতে এনেধৰণৰ দুৰ্ঘটনাৰ যাতে পুনৰাবৃত্তি নহয় তাৰ বাবে প্ৰয়োজনীয় সকলো ব্যৱস্থা গ্ৰহণ কৰিবলৈ অইল প্ৰতিশ্ৰুতিবদ্ধ।

## বৰডুবিত ঘৰুৱা পাইপলাইন ংযোগ অসম গেছ কোম্পানীৰ

তিনিধি, দুলীয়াজান, ১৫ ফেব্ৰুৱাৰী ঃ অসম
াভজনক উদ্যোগ প্ৰতিষ্ঠান অসম গেছ
য়ে আজি তিনিচুকীয়া জিলাৰ বৰডুবিত
গ ঘৰুৱা ৰন্ধন গেছৰ সংযোগৰ শুভাৰম্ভ
উপলক্ষে আজি দুপৰীয়া বৰডুবিৰ
ৰ গাঁও পঞ্চায়ত এলেকাত অনুষ্ঠিত
নুষ্ঠানত বিশিষ্ট অতিথি হিচাপে অংশগ্ৰহণ
বিতৰণৰ শুভাৰম্ভ কৰে অসম চৰকাৰৰ শ্ৰম
ৰু চাহ জনজাতি তথা আদিবাসী কল্যাণ
ন্ত্ৰী সঞ্জয় কিষানে। এই অনুষ্ঠানত শদিয়া
সমষ্টিৰ বিধায়ক তথা অসম গেছ কোম্পানীৰ
ন চেতিয়া আৰু অসম গেছ কোম্পানীৰ

উপাধ্যক্ষ ইন্দ্ৰ গগৈ, অসম গেছ কোম্পানী লিমিটেডৰ মহাপ্ৰবন্ধক অভিজিৎ গগৈ, চিজিডি বিভাগৰ মুখ্য প্ৰবন্ধক ৰিপুঞ্জয় ফুকন, মানৱ সম্পদ বিভাগৰ মুখ্য প্ৰবন্ধক ধিমন্ত বৰ্মন লগতে বৰডুবি অঞ্চলৰ বহুসংখ্যক গণ্য-মান্য ব্যক্তি উপস্থিত থাকে। এক প্ৰেছ বিবৃতিযোগে অসম গেছ কোম্পানী লিমিটেড কৰ্তৃপক্ষই জানিবলৈ দিয়ে যে প্ৰথম পৰ্যায়ত কোম্পানীটোৱে বৰডুবি অঞ্চলৰ ৪৫৭ টা বাসগৃহত পাইপযোগে ৰন্ধন গেছৰ সংযোগ দিছে। আনহাতে, আগন্তুক দিনতো প্ৰতিষ্ঠানটোৱে ৰাইজৰ বাবে এনেধৰণৰ পদক্ষেপ গ্ৰহণ কৰি যাব বুলি বিবৃতিটোত অসম গেছ কোম্পানীৰ জনসংযোগ বিভাগৰ সহকাৰী প্ৰবন্ধক প্ৰেৰণা বৰদলৈয়ে জানিবলৈ দিছে।

## বিচিএ বিভাগৰ পৰীক্ষা কানৈ কলেজৰ এশ শতাংশ পৰীক্ষাৰ্থী উত্তীৰ্ণ

ষ্টাফ ৰিপৰ্টাৰ, ডিব্ৰুগড়, ১৫ ফেব্ৰুৱাৰী ঃ তথ্য প্ৰযুক্তিৰ উত্তৰণৰ লক্ষ্য আৰু উদ্দেশ্য লৈ কানৈ মহাবিদ্যালয়ত আৰম্ভ কৰা বি চি এ পাঠ্যক্ৰমৰ পঞ্চম ষান্মাসিকত এশ শতাংশ পৰীক্ষাৰ্থী উত্তীৰ্ণ হোৱাত মহাবিদ্যালয়খনত আনন্দৰ বন্যা বৈছে। উল্লেখ্য যে ২০১৬ বৰ্ষৰ পৰা আৰম্ভ কৰা এই বি চি এ বিভাগত ছাত্ৰ-ছাত্ৰীয়ে আধুনিক প্ৰযুক্তিৰ জ্ঞান লাভ কৰিবলৈ সক্ষম হৈছে। বিভিন্ন বক্তৃতা, আলোচনা-চক্ৰ, কৰ্মশালা আয়োজন কৰি ছাত্ৰ-ছাত্ৰীসকলক পৃথিৱীৰ শেহতীয়া প্ৰযুক্তিৰ জ্ঞান দিবলৈ চেষ্টা কৰা হৈছে। এইবাৰ ঘোষণা কৰা ডিব্ৰুগড় বিশ্ববিদ্যালয়ৰ ফলাফলত কানৈ মহাবিদ্যালয়ৰ পৰা পৰীক্ষাত অৱতীৰ্ণ হোৱা ৩১ গৰাকী পৰীক্ষাৰ্থীৰ ভিতৰত ৩১ গৰাকী পৰীক্ষাৰ্থীয়েই সন্তোষজনক নম্বৰসহ উত্তীৰ্ণ হয়। সকলো অত্যাধুনিক আন্তঃগাঁথনি উপলব্ধ, শীত-তাপ নিয়ন্ত্ৰিত শ্ৰেণীকোঠাৰ সুবিধা থকা মহাবিদ্যালয়খনৰ শিক্ষাৰ্থীসকলৰ এনে ফলাফলত অধ্যক্ষ ড০ শশীকান্ত শইকীয়াই সন্তোষ প্ৰকাশ কৰে।

## মন্ত্ৰীয়ে ... ৰ্মাই

ৰি মুখ্যমন্ত্ৰী ড°
ৰ প্ৰধানমন্ত্ৰীৰ
উন্মোচন কৰি

৬ পৃষ্ঠাত



## ানো ৰাজ্যতে সম্ভৱ হোৱা

## ৰ পাৰে আমে

### ৰ্থীক নিযুক্তি-পত্ৰ প্ৰদান ড° শৰ্মাৰ




## াণসাৰ নাই বিধায়ক বিনোদ হাজৰিকাৰ